# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-02-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি কাছাৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় মুকলি।

২। ৰাজ্যত ২০২১ বৰ্ষৰ পৰা ২০২৫ বৰ্ষ পৰ্যন্ত ৫ হাজাৰ ৪১২ খন বিদ্যালয়ৰ একত্ৰিকৰণ কৰা হৈছে বুলি বিধানসভাত শিক্ষামন্ত্ৰীৰ প্ৰকাশ।

৩। অসমত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণৰ প্ৰয়োজন নাই বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়।

৪। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত শিলচৰত আজি ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত ধন বিতৰণৰ অনুষ্ঠান।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়া আৰু ওমান মুখামুখি।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীশ্বাহে কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰিব আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ  পৰ্যালোচনা কৰিব। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু বৰাক উপত্যকাত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যাব আৰু সন্ধিয়া অসমলৈ উভতি আহিব। গৃহমন্ত্ৰীগৰাকীয়ে কাছাৰ জিলা ভ্ৰমণ সন্দৰ্ভত সবিশেষ জনাইছে শিলচৰৰ পৰা আমাৰ সংবাদদাতা আঁখি ৰাণী দাসে-

*-বাইট-*

শ্ৰীশ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২১ বৰ্ষৰ পৰা ২০২৫ বৰ্ষলৈ ৰাজ্যত ৫ হাজাৰ ৪১২ খন বিদ্যালয় একত্ৰিকৰণ কৰা হৈছে। বিধানসভাৰ বাজেট অধিৱেশনৰ অন্তিম দিনা কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত এই তথ্য প্ৰকাশ কৰি কয়, যে শিক্ষাসেঁতু এপ প্ৰৱৰ্তন হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা এপ'ৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। পূৰ্বতে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰণত একাধিক বিদ্যালয়ত নাম অন্তৰ্ভুক্ত কৰি ৰাখিছিল। শিক্ষাসেঁতু এপ প্ৰৱৰ্তন হোৱাৰ পিছৰে পৰা এই ব্যৱস্থা নোহোৱা হোৱাত বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা কমি যোৱা যেন পৰিলক্ষিত হয়। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱা বাবে সেই বিদ্যালয়সমূহক আন বিদ্যালয়সমূহৰ সৈতে একত্ৰিকৰণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ কয়। আনহাতে ৰাজ্যৰ শিক্ষা বিভাগৰ অধীনৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা সঞ্চালকালয় তথা কাৰিকৰী শিক্ষা সঞ্চালকালয়ত মুঠ ৩২ হাজাৰ ৫২০টা শিক্ষক-কৰ্মচাৰীৰ পদ খালী হৈ থকাৰ তথ্যও তেওঁ প্ৰকাশ কৰিছে। ২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমান পৰ্যন্ত ৪০৮ খন মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে। তদুপৰি বৰ্তমান ৰাজ্যত দুহেজাৰ ৬৭০ খন প্ৰাথমিক বিদ্যালয় এগৰাকী শিক্ষকেৰে চলি থকা বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে সদনত তথ্য দাখিল কৰিছে। একেদৰে ১৩ হাজাৰতকৈও অধিক বিদ্যালয়ত এই পৰ্যন্ত স্থায়ী প্ৰধান শিক্ষক নাই বুলিও তেওঁ কয়।

০০০০০০০

অসমত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণৰ প্ৰয়োজন নাই বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে। বিষয়টো সন্দৰ্ভত সৰ্বোচ্চ ন্যায়ালয়ত দাখিল হোৱা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন নাকচ কৰি ন্যায়ালয়ে কয়, যে অসমত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ হোৱা বাবে এতিয়া ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপংখ নিৰীক্ষণৰ কোনো অৱকাশ নাই। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাৰ প্ৰাক্তন সভাপতি মৃণাল কুমাৰ চৌধুৰীয়ে দাখিল কৰা পি আই এলৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মালা বাগছি আৰু ন্যায়াধীশ বিপিন পাঞ্চলিৰ খণ্ড বিচাৰপীঠে কালি এই কথা স্পষ্ট কৰি দিছে। শুনানিৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে কয়, যে অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া চলি আছে আৰু এই প্ৰক্ৰিয়া বৰ্তমান উচ্চতম ন্যায়ালযৰ নিৰীক্ষণত আছে। সেয়ে অসমত এতিয়া ভোটাৰ তালিকাৰ বিশেষ পুংখানুপংখ নিৰীক্ষণৰ প্ৰয়োজন নাই বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে যুক্তি দাঙি ধৰে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ইপিনে, এই আঁচনিৰ অধীনত কালি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উদ্যোগীসকলৰ মাজত আঁচনিৰ ধনৰাশি বিতৰণ কৰে। সভাত উপস্থিত উদ্যোগীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে যিসকল উদ্যোগীয়ে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত এক লাখ টকা লাভ কৰি ইয়াৰ সঠিক ব্যৱহাৰ কৰিছে তেওঁলোকে অতি সোনকালে দ্বিতীয় কিস্তিৰ এক লাখ টকাও লাভ কৰিব। প্ৰথম কিস্তিৰ ধন চৰকাৰক ঘূৰাই দিব নালাগে যদিও দ্বিতীয় কিস্তিৰ ধন ৫ বছৰৰ ভিতৰত চৰকাৰক ঘূৰাই দিব লাগিব বুলি তেওঁ কয়। অৱশ্যে ইয়াৰ বাবে হিতাধিকাৰীয়ে কোনো সুত দিব নালাগে বুলি তেওঁ প্ৰকাশ কৰে। আঁচনিখনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়।

## *বাইট (চি এম)*

০০০০০০০

অম্রুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাত পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে আজি দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। জিলাখনৰ লক্ষীপুৰ নগৰৰ ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে লক্ষীপুৰ নগৰৰ ১০ টা ৱাৰ্ডত মুঠ চাৰি হাজাৰ নলযোগে খোৱাপানী সংযোগ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ ৫৫ টা পৰিয়াল উপকৃত হ'ব। জিলাখনত অম্রুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত শিলচৰ পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব। ৩২ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আজি শিলচৰৰ আই এছ বি টিত বিয়লি ৪ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

দুদিনীয়া কাৰ্যসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা কংগ্ৰেছ নেত্ৰী তথা নিখিল ভাৰত কংগ্ৰেছৰ প্ৰাৰ্থী বাছনি কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধীয়ে পুৱতি নিশা পৰ্যন্ত দলৰ কাৰ্যালয়ত দলীয় কৰ্মীসকলৰ সৈতে আলোচনাত মিলিত হয়। শ্ৰীমতী গান্ধীয়ে নিশা দলৰ জিলা সমিতিৰ সভাপতিসকলৰ সৈতে নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। তদুপৰি তেওঁ দলটোৰ বিধায়কসকলৰ সৈতেও নিৰ্বাচনী ৰণনীতি প্ৰসংগত আলোচনাত বহে। উল্লেখযোগ্য যে, কালি পুৱাৰ ভাগত গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰত উপস্থিত হোৱা কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কামাখ্য মন্দিৰত গৈ দেৱীৰ আশীৰ্বাদ লয়।

০০০০০০০

বিশিষ্ট কথাশিল্পী তথা চলচ্চিত্ৰ নিৰ্মাতা ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি কথাশিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। অনুভূতি সম্পন্ন আৰু মননশীল ৰচনাৰে অনুৰাগীসকলক আলোড়িত কৰা ডঃ শইকীয়াই কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, শিশু সাহিত্য আৰু আত্মজীৱনীৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা ভবেন্দ্ৰ নাথ শইকীয়া পৰিচালিত ৮ খন চলচ্চিত্ৰৰ আটাইকেইখনেই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰে সন্মানিত হৈছে।

ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আৰোহণৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ সহযোগত আজি আৰু কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ডঃ ভবেন্দ্ৰনাথ শইকীয়া সোঁৱৰণি নাট সমাৰোহ আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সন্ধিয়া চাৰে পাঁচ বজাত আয়োজিত অনুষ্ঠানত গল্পকাৰ ডঃ নমিতা বৈশ্যক ২০২৫ বৰ্ষৰ বাবে ভবেন্দ্ৰ নাথ শইকীয়া বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত - ৫০ হাজাৰ টকা, প্ৰশস্তি পত্ৰ আৰু স্মাৰক আৰু কিতাপৰ টোপোলা আছে। ইয়াৰ লগতে পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। বঁটা প্ৰদানৰ পাছতে আজি সন্ধিয়া চাৰে ৬ বজাত নটসূৰ্যই মলয়া গোস্বামীৰ পৰিচালনাৰে 'আলি দোমোজাত' শীৰ্ষক নাটখন মঞ্চস্থ কৰিব। কাইলৈ সন্ধিয়া ছিগালৰ উদ্যোগত ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচনা আৰু বাহাৰুল ইছলামৰ পৰিচালনাৰে 'আকাশ' নাটখন মঞ্চস্থ কৰা হ'ব। নাটৰ পূৰ্বে আৰোহনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাতৰ অনুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০০

কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ যশস্বী ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক সংগীত নাটক একাডেমী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ

কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ বিৰ পৰা জিম্বাবুৱে আৰু শ্ৰীলংকাই ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ছুপাৰ এইটৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত আফগানিস্তানে কানাডাক ৮২ ৰানত পৰাস্ত কৰে।

০০০০০০০

## *News Paper Review*

কৃত্ৰিম বুদ্ধিমত্তা সদায় মানৱকেন্দ্ৰিক হ'ব লাগিব- নতুন দিল্লীত আন্তৰ্জাতিক এ আই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মন্তব্য কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অহা ৫ মে নাগৰিকত্ব সংশোধনী আইন 'কা'ৰ চূড়ান্ত শুনানী আৰম্ভ হ'ব বুলি উচ্ছতম ন্যায়ালয়ৰ বিচাৰপীঠে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দৈনিক অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বিগত পাঁচ বছৰত অসম ৰূপান্তৰমূলক পৰিৱৰ্তনৰ সাক্ষী হৈছে আৰু ৰাজ্যখনে বৰ্তমান দেশৰ বিকাশত অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা এটা বাতৰি **দা ছেণ্টিনেল** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। অসমত হেট্ৰিক কৰিবলৈ সাজু বিজেপি- দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে সমাগত বিধান সভা নিৰ্বাচনত দলৰ সম্ভাৱনাক লৈ এইদৰে আত্মবিশ্বাস প্ৰকাশ কৰাৰ বাতৰি এটা **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে। বি জে পিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে প্ৰথমবাৰ অসম ভ্ৰমণলৈ আহি তিনিচুকীয়াৰ বাৰেকুৰিৰ বৰগাঁওস্থিত বৰনামঘৰত সেৱা লোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতখনে আলোক চিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কালি ৰাজীৱ ভৱনত সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ বৈঠকত মিলিত হোৱাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম কংগ্ৰেছৰ পৰ্যবেক্ষক তথা কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী শিৱ কুমাৰে নিৰ্বাচনী ব্যয়ৰ বাবে অসম কংগ্ৰেছক ১০০ কোটি টকা দিবলৈ সন্মতি প্ৰকাশ কৰাৰ বাতৰি এটা **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰসমূহে মুকলি কৰা আঁচনিসমূহে হিতাধিকাৰীসকলক কৰ্মবিমুখ কৰা বুলি উচ্চতম ন্যায়ালয়ে সমালোচনা কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০০

ডিব্ৰুগড়ৰ বৈৰাগীমঠত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয়। পদুম নগৰৰ পৰা বৈৰাগীমঠ অভিমুখে আহি থকা এখন গাড়ীয়ে শিখা ধৰ নামৰ খোজকাঢ়ি আহি থকা মহিলাগৰাকীক খুন্দা মৰাৰ ফলত

তেওঁৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাটোত শৰ্মিষ্ঠা দাস নামৰ এগৰাকী যুৱতী গুৰুতৰভাৱে আহত হৈছে। উল্লেখযোগ্য যে, নিহত মহিলাগৰাকী শিলচৰৰ পৰা ডিব্ৰুগড়লৈ ফুৰিবলৈ আহিছিল।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**